# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - - -

১। দেশক বিশ্বৰ তৃতীয় অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কৃষি ক্ষেত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ সপ্তদশ কিস্তি মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব গ্ৰহণ। মন্ত্ৰী কেশৱ মহন্তক পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্ব অৰ্পণ।

৩। আই আই টি খড়গপুৰৰ ছাত্ৰাবাসত তিনিচুকীয়াৰ ছাত্ৰ ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ চি বি আইৰ তদন্তৰ আহ্বানেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পশ্চিমবংগৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ।

৪। ৰাজ্যৰ ভিন্ন প্ৰান্তত ধাৰাযাৰ বৰষুণৰ ফলত ১৪ খন জিলাৰ কমেও এক লাখ লোক বানত ক্ষতিগ্ৰস্ত।

**আৰু**

৫। ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব তথা ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া শিলাদিত্য চেতিয়াৰ আত্মহননৰ ঘটনাত অসম আৰক্ষীৰ শোক প্ৰকাশ।

০০০০০

দেশক বিশ্বৰ তৃতীয় অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কৃষি ক্ষেত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু কৃষকসকলৰ আয় বৃদ্ধি কৰাটোৱে চৰকাৰৰ অন্যতম লক্ষ্য। বাৰাণসীৰ মেহন্দিগঞ্জত আয়োজিত প্ৰধানমন্ত্ৰী কিষাণ সন্মান সন্মিলনত ভাগ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে এই মন্তব্য কৰিছে। লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে লোৱা ব্যৱস্থা অনুসৰি কৃষিজাত সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত ভাৰত আগবাঢ়ি গৈছে। কৃষকৰ আয় বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে লোৱা ব্যৱস্থা তথা পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থা উন্নীতকৰণেৰে উন্নতিৰ নতুন পথ মুকলি কৰিছে। বিকশিত ভাৰত সংকল্প যাত্ৰাতে এক কোটিৰো অধিক কৃষকে প্ৰধানমন্ত্ৰী কিষাণ আঁচনিত অন্তৰ্ভুক্ত হৈছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই সন্মিলনতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ সপ্তদশ কিস্তি হিচাপে পোনপটীয়া লাভ হস্তান্তৰ ব্যৱস্থাৰে প্ৰায় ৯ কোটি ২৬ লাখ হিতাধিকাৰী খেতিয়কলৈ ২০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিয়ে। বৰ্তমানলৈকে ১১ কোটিৰো অধিক যোগ্য কৃষক পৰিয়ালে প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত ৩ লাখ ৪ হাজাৰ কোটিৰো অধিক টকা লাভ কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কৃষি সখী হিচাপে আত্মসহায়ক গোটত ৩০ হাজাৰৰো অধিক মহিলাক প্ৰমাণপত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে।

সন্মিলনখনৰ সৈতে সংগতি ৰাখি পোনপটীয়া ৱেবকাষ্টৰ জৰিয়তে দেশৰ কেইবাটাও নিৰ্বাচিত স্থানৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দেশৰ আন আন প্ৰান্তৰ লগতে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ প্ৰেক্ষাগৃহতো ৱেবকাষ্টৰ ব্যৱস্থা কৰা হয়। এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা উপস্থিত

থাকে। যোৰহাট জিলাৰ টীয়কৰ কলীয়াপানীৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰতো পি এম কিষাণ সন্মিলনৰ পোনপটীয়া ৱেবকাষ্টৰ ব্যৱস্থা কৰা হয়।

কৃষক সন্মান সন্মিলনতে বিগত লোকসভা নিৰ্বাচনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, গণতন্ত্ৰৰ এই উৎসৱত ৩১ কোটিৰো অধিক মহিলাই অংশগ্ৰহণ কৰিছে। এই সংখ্যা বিশ্বৰ ভিতৰতে অধিক আৰু আমেৰিকাৰ জনসংখ্যাৰ প্ৰায় সমান। বিশ্বত ক্ৰমাগতভাৱে তিনিবাৰলৈ যিকোনো নিৰ্বাচিত চৰকাৰ পুনৰ শাসনলৈ অহাতো খুবেই কম আৰু এয়া ভাৰতত প্ৰায় ৬০ বছৰৰ পিছত সম্ভৱ হৈছে।

উল্লেখযোগ্য যে বাৰাণসী সমষ্টিৰ পৰা তৃতীয়বাৰলৈ সাংসদ হিচাপে নিৰ্বাচিত হোৱা প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে আজি প্ৰথমবাৰলৈ বাৰাণসী ভ্ৰমণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ দপ্তৰৰ কিছু সালসলনি ঘটোৱা হৈছে। এই অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে মন্ত্ৰী কেশৱ মহন্তৰ হাতত থকা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দায়িত্ব নিজৰ হাতলৈ নিছে। সংসদীয় পৰিক্ৰমা বিভাগৰ হৈ মুখ্য সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি মন্ত্ৰী কেশৱ মহন্তক পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। আনহাতে কেশৱ মহন্তৰ হাতত পূৰ্বৰে পৰা থকা বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন তথা তথ্য প্ৰযুক্তি বিভাগৰ দায়িত্বৰ সালসলনি ঘটোৱা নাই। উল্লেখযোগ্য যে শেহতীয়া লোকসভা নিৰ্বাচনত সাংসদ হিচাপে নিৰ্বাচিত হোৱা পৰিমল শুক্লবৈদ্য পৰিবহণ, মীন আৰু আবকাৰী বিভাগৰ দায়িত্বত আছিল। পৰিমল শুক্লবৈদ্যৰ ধলাই সমষ্টিৰ বিধায়কৰ পদত্যাগ পত্ৰ আজি ৰাজ্যপালে গ্ৰহণ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আই আই টি খড়গপুৰৰ ছাত্ৰাবাসত ৰহস্যজনক পৰিস্থিতিত তিনিচুকীয়াৰ কচুজানৰ ছাত্ৰ ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাৰ প্ৰকৃত সত্য উদঘাটনৰ বাবে বিষয়টোৰ তদন্ত চি বি আইৰ হাতত অৰ্পণ কৰিবলৈ  পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক পত্ৰযোগে আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰেৰণ কৰা পত্ৰখনত ফাইজান আহমেদৰ অস্বাভাৱিক মৃত্যু সন্দৰ্ভত শেহতীয়াকৈ ফৰেনচিক প্ৰতিবেদনত বিস্ফোৰক তথ্য পোহৰলৈ অহাৰ কথা উল্লেখ কৰি প্ৰয়াত আহমেদৰ পিতৃ-মাতৃক ন্যায় প্ৰদানৰ নিশ্চিতিৰ বাবে এই অপৰাধৰে জড়িত আন ব্যক্তিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০২২ চনৰ ২০ অক্টোবৰতো পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড০ শৰ্মাই ফাইজান আহমেদৰ অস্বাভাৱিক মৃত্যুৰ পুংখানুপুংখ তদন্তৰ বাবে অনুৰোধ জনাই এখন পত্ৰ প্ৰেৰণ কৰিছিল। ২০২২ চনৰ ১৪ অক্টোবৰত আই আই টি খড়গপুৰৰ ছাত্ৰাবাসৰ কোঠাত ফাইজান আহমেদৰ মৃতদেহ উদ্ধাৰ হৈছিল। আই আই টি কৰ্তৃপক্ষই এয়া আত্মহত্যাৰ ঘটনা বুলি প্ৰকাশ কৰিছিল যদিও প্ৰয়াত ফাইজানৰ পিতৃ-মাতৃয়ে মৃতদেহত আঘাতৰ চিন দেখি হত্যা কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল। কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি প্ৰয়াত ফাইজানৰ কবৰ খান্দি দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল। আনহাতে শেহতীয়া প্ৰকাশ পোৱা ফৰেনচিকৰ প্ৰতিবেদন অনুসৰি ফাইজানৰ ডিঙিৰ বাওঁফালে গুলীৰ আঘাত আৰু সোঁফালে ছুৰীৰ আঘাত আছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীয়ে সমগ্ৰ ঘটনাটোৰ চি বি আইৰ তদন্তৰ পোষকতা কৰিছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বাবে মাজত দুটা দিন বাকী থকা অৱস্থাত সমগ্ৰ দেশজুৰি প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত শ্ৰীনগৰত দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত

হ'ব। জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-ই-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন কক্ষত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এইবাৰৰ যোগ দিৱসৰ বিষয় হৈছে **ব্যক্তি আৰু সমাজৰ বাবে যোগ**। ইপিনে কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যোগৰ জনপ্ৰিয়তা বৃদ্ধি আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে প্ৰতিগৰাকী ব্যক্তিক অৱগত কৰোৱাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী যোগ পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰিছে। এই পুৰস্কাৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ বিষয়ক সংস্থাক প্ৰদান কৰা হ'ব। দুটা ৰাষ্ট্ৰীয় বঁটা ভাৰতীয় মূলৰ ব্যক্তিক আৰু দুটা আন্তঃৰাষ্ট্ৰীয় বঁটা বিদেশত থকা ভাৰতীয় নাইবা বিদেশী ব্যক্তিক প্ৰদান কৰা হ'ব। তদুপৰি আয়ুষ মন্ত্ৰালয়ে পৰিয়ালৰ সৈতে যোগ সম্পৰ্কত ভিডিঅ' প্ৰতিযোগিতাৰ আয়োজন কৰিছে। যোগৰ গুৰুত্ব সম্প্ৰতি ভাৰততে নহয়, সমগ্ৰ বিশ্বতে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এনেধৰণৰ পদক্ষেপ লোৱা হৈছে বুলি আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। যোগাভ্যাসৰ গুৰুত্ব আৰু প্ৰাসংগিকতা প্ৰসংগত যোগ প্ৰশিক্ষক **অৰূপ জ্যোতি দাসে** এইদৰে কয়।

***ঃঃ ভইচ ঃঃ***

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। বিভিন্ন জিলা প্ৰশাসনে যোগ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। দশম সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে তেজপুৰৰ বায়ুসেনা শিবিৰ আৰু শোণিতপুৰৰ দেবেন্দ্ৰনগৰত থকা সীমান্ত সুৰক্ষা বলৰ ৬৮ বেটেলিয়নত ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত যোগ প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হৈছে। তেজপুৰৰ বায়ুসেনা শিবিৰত অনুষ্ঠিত যোগ প্ৰশিক্ষণত শোণিতপুৰ জিলা আয়ুক্তৰ লগতে তেজপুৰ বায়ুসেনা শিবিৰৰ বিষয়া উপস্থিত থাকে। আনহাতে দেবেন্দ্ৰনগৰৰ সীমান্ত সুৰক্ষা বলৰ প্ৰায় ৭০ গৰাকী জোৱানে যোগ প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। আৰ্ট অফ লিভিং ফাউণ্ডেচনৰ যোগ প্ৰশিক্ষক নবীন আগৰৱালাই যোগ প্ৰশিক্ষণ দিয়ে। আনহাতে কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত কোকৰাঝাৰ এন টি পি চিৰ সমূহীয়া ভৱনতো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাউণ্টডাউন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে চলিত বছৰৰ প্ৰৱেশ পৰীক্ষা নীট-ইউ জিত প্ৰশ্নকাকত ফাদিল আৰু অনিয়ম সংঘটিত হোৱা বুলি উত্থাপিত অভিযোগ সম্পৰ্কে দাখিল কৰা আবেদন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আৰু এন টি এ লৈ জাননী জাৰি কৰিছে। ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা অৰ্থাৎ এন টি এক জাৰি কৰা জাননীত এই পৰীক্ষাত কোনো ধৰণৰ অনিয়ম সংঘটিত হ'লে বিষয়টো স্বচ্ছভাৱে নিস্পত্তি হোৱা প্ৰয়োজন বুলি উল্লেখ কৰিছে।

০০০০০

বিগত কিছু দিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল প্লাবিত হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এই পৰ্যন্ত ৰাজ্যৰ ১৪খন জিলাৰ কমেও এক লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে। কোকৰাঝাৰ, নলবাৰী, কৰিমগঞ্জত বিগত ২৪ ঘণ্টাত বৰষুণৰ ফলত বান পৰিস্থিতিৰ অৱনতি ঘটিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ ৰাজ্যত তিনিশৰো অধিক গাঁও বানৰ কবলত পৰিছে। বানত তামুলপুৰ, বঙাইগাঁও, কোকৰাঝাৰ, কৰিমগঞ্জ, লক্ষীপুৰ, ওডালগুৰি, দৰং, ধেমাজি, নগাঁও, হোজাই, চিৰাং, বৰপেটা, বাক্সা, নলবাৰী, গোৱালপাৰা জিলা ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ কেইবাখনো নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকা বুলি দুৰ্যোগ প্ৰশমন বিভাগে প্ৰকাশ কৰিছে।

নগাঁও জিলাৰ কামপুৰ অঞ্চল বছৰৰ দ্বিতীয়টো বানত ক্ষতিৰ সন্মুখীন হৈছে। নেৰানেপেৰা বৰষুণ আৰু খান্দং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত কামপুৰৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। কামপুৰ ৰাজহচক্ৰৰ কমেও ১০ খন গাঁও বাঢ়নি পানীয়ে বুৰাই পেলাইছে। ইপিনে, নলবাৰীত বুঢ়াদিয়া নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত কমেও ২০ গাঁও বানত বুৰ যোৱাৰ আশংকাই দেখা দিছে। লখোপুৰ, কেন্দুবাৰী, গান্ধীবস্তি, ভোজকুছিকে ধৰি কেইবাখনো গাঁও বানৰ ফলত ক্ষতিৰ সন্মুখীন হোৱাৰ আশংকাই দেখা দিছে। ইপিনে ধুবুৰী জিলাত ধাৰাষাৰ বৰষুণৰ ফলত গৌৰাং নৈ ফেনেফোটোকাৰে বাঢ়ি আহিছে। তদুপৰি নৈখনৰ খহনীয়াই বিলাসীপাৰা মায়াৰ চৰ সংযোগী মূল পথটোৰ একাংশ খহাই পেলাইছে। অঞ্চলটোৰ ৰাইজে জলসম্পদ বিভাগক ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে। বাক্সা জিলাৰ ৰংদিয়াপাৰাত বানৰ ফলত স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হৈছে। পল্লা নৈৰ বাঢ়নি পানীয়ে জিলাখনৰ বিভিন্ন অঞ্চল আৰু কেইবাখনো বিদ্যালয় বুৰাই পেলাইছে। হাইলাকান্দি জিলাৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণ পুনৰ বানৰ ফলত ক্ষতিৰ সন্মুখীন হৈছে। জিলাখনৰ সৰসপুৰ অঞ্চলত কেইবাখনো বিদ্যালয় বানত বুৰ গৈছে। তদুপৰি সনবিলত গড়কাপ্তানি পথ পানীত বুৰ যোৱাৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈছে। একেদৰে জিলাখনৰ সিৰিশপুৰ আৰক্ষী চকী পানীত বুৰ গৈছে। বজালী জিলাৰ পাঠশালাত পহুমৰা আৰু কালদিয়া নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত বান পৰিস্থিতি জটিল হৈছে। বৰপেটা জিলাত ধাৰাষাৰ বৰষুৰ ফলত নখান্দা, মৰাচাউলখোৱা আৰু কালদিয়া নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। আনহাতে দৰং জিলাত ব্ৰহ্মপুত্ৰকে ধৰি কেইবাখনো উপনৈৰ জলপৃষ্ঠ বৃদ্ধি পাই আছে। নেৰানেপেৰা বৰষুণৰ ফলত গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে। মেঘালয়ৰ পৰা নামি অহা ঢলে বিভিন্ন অঞ্চলত খেতিপথাৰ, বাট-পথ বুৰাই পেলোৱাৰ লগতে বাসগৃহও বুৰাই পেলাইছে। জিনজিৰাম নৈৰ বাঢ়নি পানীয়ে জুৰিগাঁও বৰ্মনপাৰা অঞ্চলত বানৰ সৃষ্টি কৰিছে। ইপিনে জলেশ্বৰ সমষ্টিৰ ধুমেৰঘাট অঞ্চল প্লাবিত হোৱাত ধুমেৰঘাট আৰু লক্ষীপুৰৰ মাজত যাতায়াত বিচ্ছিন্ন হৈছে। জিলাখনত ব্ৰহ্মপুত্ৰ, দুধনৈ, কৃষ্ণাই আৰু জিনাৰি নৈৰ পানী বৃদ্ধি পাই আছে।

ইফালে মেঘালয়ৰ ৰাটাচৰাত পুৰা ভূমিস্খলনৰ ফলত শিলচৰ-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যানবাহনসমূহ এতিয়াও আবদ্ধ হৈ আছে। ৰাতাচৰাত আজি পুৱতিনিশা পুনৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে।

00000

ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব তথা ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া শিলাদিত্য চেতিয়াৰ আত্মহননৰ ঘটনাত অসম আৰক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে এই বিষয়ে প্ৰকাশ কৰি কয় যে, দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা চেতিয়াৰ পত্নীৰ বিয়োগৰ পাছতেই তেওঁ এই ঘটনা সংঘটিত কৰে। এই ঘটনা অসম আৰক্ষী শোকস্তব্ধ হৈ পৰিছে বুলি শ্ৰী সিঙে মন্তব্য কৰে। উল্লেখযোগ্য যে ২০০৯ চনত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া চেতিয়াই বিভিন্ন জিলাত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল

00000

00000

বিটিআৰত আজি দুদিনীয়া বাজেট অধিৱেশনৰ আৰম্ভ হৈছে। বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে প্ৰথম দিনাৰ অধিৱেশনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে প্ৰায় ২ হাজাৰ ২০০ কোটি টকাৰ বাজেট দাখিল কৰে।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ড আৰু মিতালী ঠাকুৰীয়াই আজি ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে ন্যায়াধীশ দুগৰাকীক শপতবাক্য পাঠ কৰোৱায়।

০০০০০

বিগত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা ভোটগ্ৰহণ কেন্দ্ৰসমূহ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰ দৰে আকৰ্ষণীয় ৰূপত সজাই তোলা মৰিগাঁও নিৰ্বাচন জিলাৰ ৪টা ভোটকেন্দ্ৰক পুৰস্কৃত কৰাৰ বাবে বাছনি কৰা হৈছে। ইয়াৰ ভিতৰত জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত মৰিসুতিটুপ প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰ প্ৰথম স্থানত আছে। একেটা সমষ্টিৰে জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰ দ্বিতীয় স্থানত আছে। আনহাতে মৰিগাঁও সমষ্টিৰ কলমৌবাৰী প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰ তৃতীয় স্থানত আছে। ইয়াৰ উপৰি মৰিগাঁৱৰ লাহৰিঘাট সমষ্টিৰ খলিহামাৰী পথাৰ এম ভি ভোটকেন্দ্ৰলৈ নিচুকনি বঁটাৰ বাবে বাছনি কৰা হৈছে। উল্লেখযোগ্য যে বিগত সাধাৰণ নিৰ্বাচনত মৰিগাঁও জিলা আয়ুক্তৰ তৎপৰতাত জিলাখনৰ প্ৰতিটো ভোটকেন্দ্ৰ সুন্দৰকৈ সজাই পৰাই তোলাৰ প্ৰয়াস কৰা হৈছিল। ইয়াৰ বাবে জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনী জিলাখনৰ ৫২৯ বিদ্যালয়ৰ প্ৰধান শিক্ষকক নিজৰ বিদ্যালয়খন তথা ভোটকেন্দ্ৰ আকৰ্ষণীয় ৰূপত সজাই তুলিবলৈ এখন সভা পাতি অনুৰোধ জনাইছিল। লগতে সুন্দৰকৈ সজাই তোলা শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ২০ হাজাৰ টকা, দ্বিতীয়  শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ১০ হাজাৰ টকা আৰু তৃতীয় শ্ৰেষ্ঠ বিদ্যালয়খনলৈ নগদ ৫ হাজাৰ টকা পুৰস্কাৰ আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০

সমাপ্ত